**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 09-05-2025 **Time :** 0755Hrs.

## Assamese Morning Bulletin

সশস্ত্ৰ বাহিনীসমূহে যোৱানিশা পাকিস্তানে ড্ৰোণ আৰু ক্ষেপনাস্ত্ৰৰ সহায়ত দেশৰ উত্তৰ আৰু পশ্চিম অংশৰ কেইবাখনো মহানগৰক লক্ষ্য কৰি আক্ৰমণ চলোৱাৰ প্ৰচেষ্টা ব্যৰ্থ কৰে। সংহত প্ৰতিৰক্ষা ষ্টাফৰ মুখ্য কাৰ্যালয়ত প্ৰকাশ কৰা মতে পাকিস্তানে জম্মু, পাঠানকোট আৰু উধমপুৰৰ লগতে আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সমীপৰ কেইবাটাও ঘাটিক লক্ষ্য কৰি লোৱাৰো চেষ্টা চলায়। অৱশ্যে সশস্ত্ৰ বাহিনীয়ে এই আক্ৰমণ সফলতাৰে প্ৰতিহত কৰে। পাকিস্তানী আক্ৰমণত কোনো লোক হতাহত হোৱাৰ বাতৰি পোৱা হোৱা নাই।

বৰ্ধিত উত্তেজনাৰ মাজতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি সীমান্ত সুৰক্ষা বাহিনী বি এছ্ এফৰ সঞ্চালকপ্ৰধানৰ সৈতে কথা পাতে আৰু সীমান্তৰ পৰিস্থিতিৰ বুজ লয়। তেওঁ লগতে বিমান বন্দৰৰ সুৰক্ষা সন্দৰ্ভত কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনীৰ সঞ্চালকপ্ৰধানৰ সৈতে কথা পাতে।

ইপিনে, বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে কালি নতুন দিল্লীত এখন সংবাদমেলত কয়, যে উত্তেজনা বৃদ্ধি ভাৰতৰ কাম্য নহয় আৰু ভাৰতে পাকিস্তানত থকা সন্ত্ৰাসবাদী ঘাটিসমূহক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। বিদেশ সচিবগৰাকীয়ে কয়, যে যোৱা ২২ এপ্ৰিলত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণ প্ৰকৃত অৰ্থত উত্তেজনা বৃদ্ধিৰ প্ৰয়াস আছিল আৰু ভাৰতে ইয়াৰ প্ৰত্যুত্তৰহে দিছে।

সংবাদমেলত কৰ্ণেল ছ'ফিয়া কুৰেশ্বীয়ে কয়, যে সশস্ত্ৰ বাহিনীসমূহে কালি পাকিস্তানৰ কেইবাটাও স্থানৰ বায়ু প্ৰতিৰক্ষা ৰাডাৰ আৰু প্ৰণালীক আক্ৰমণৰ লক্ষ্য কৰি লয়। এই আক্ৰমণত লাহোৰৰ বায়ু প্ৰতিৰক্ষা প্ৰণালী ধ্বংস হোৱা বুলিও তেওঁ জানিবলৈ দিয়ে।

সংবাদ মেলত বায়ুসেনাৰ উইং কামাণ্ডাৰ ব্যোমিকা সিঙে কয়, যে ভাৰত উত্তেজনা বৃদ্ধি নকৰাৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। পাকিস্তানে ইয়াৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাটো ইয়াৰ একমাত্ৰ চৰ্ত হ'ব বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০

সেনাবাহিনীয়ে পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদীৰ ঘাটিত চলোৱা **অপৰাচেন সিন্দূৰ** সম্পৰ্কত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অৱসৰপ্ৰাপ্ত বায়ুসেনা বাহিনীৰ বিষয়া আৰু জ্যেষ্ঠ নাগৰিকসকলে এই অভিযান আৰু যুদ্ধকালীন সময়ত জনসাধাৰণৰ কৰণীয় সম্পৰ্কত মন্তব্য আগবঢ়াব। এই অনুষ্ঠানৰ উপস্থাপন, পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

লখিমপুৰ জিলাৰ ঢকুৱাখনাৰ ম'হঘুলি চাপৰিৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশত আজিৰপৰা তিনিদিনীয়াকৈ ঐতিহ্যমণ্ডিত ফাট বিহু পালন কৰা হ'ব। আজি পুৱা ফাট বিহু সমিতিৰ সভাপতি বসন্ত শইকীয়াই পতাকা উত্তোলনেৰে বিহু পালনৰ শুভাৰম্ভ কৰিব। দিনৰভাগত বিহু দলসমূহক মূল তোৰণৰ পৰা ম'হঘুলি চাপৰিলৈ আদৰণি জনোৱা হ'ব।

ইয়াৰ পাছতে টকা বিহু প্ৰতিযোগিতা আৰু চেমনীয়া হুঁচৰি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। কাইলৈ কপৌ ফুল আৰু গছপুলি ৰোপণ, গামোচা প্ৰতিযোগিতা, পূৰ্ণ বয়স্ক হুঁচৰি প্ৰতিযোগিতা আৰু ফাট বিহুৰ বছৰেকীয়া মুখপত্ৰ **বিহুৱান** উন্মোচন কৰা হ'ব। বিশিষ্ট কবি-সাহিত্যিক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰী অধ্যাপক ড$^{o}$ কৰবী ডেকা হাজৰিকাই মুখপত্ৰখন উন্মোচন কৰিব। অন্তিম দিনা অৰ্থাৎ ১১ মে'ত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা, গছতলৰ মুকলি বিহু প্ৰতিযোগিতা আৰু মুকলি সভা অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। এই অনুষ্ঠানত ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী, সাংসদ-বিধায়ক আৰু সাংস্কৃতিক ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। লখিমপুৰ জিলা প্ৰশাসনে কাইলৈৰ দিনটো ঢকুৱাখনা উপজিলাৰ সকলো বিদ্যালয়ৰ পাঠদান বাতিল কৰাৰ কথা ঘোষণা কৰিছে।

০০০০০০০

ৰাজ্যৰ প্ৰথমটো সুৰংগ পথ গহপুৰ নুমলীগড় সংযোগী ৩৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথচোৱাৰ নিৰ্মাণ কাৰ্য্য শীঘ্ৰে আৰম্ভ হ'ব। সুৰক্ষা পথটোৰ নিৰ্মাণৰ ক্ষেত্ৰত সুৰক্ষা ক্ৰয় পৰিষদে সকলো দিশতে অনুমোদন জনোৱা বুলি গহপুৰ বিধায়ক উৎপল বড়াই জানিবলৈ দিছে। অহা বিধানসভা নিৰ্বাচনৰ পূৰ্বে কাম আৰম্ভ হ'বলগীয়া প্ৰকল্পটোৰ বাবে চলিত বৰ্ষৰ অক্টোবৰ-নৱেম্বৰ মাহত নিবিদা প্ৰকাশ পাব বুলি তেওঁ মন্তব্য কৰে। লুই বাৰ্জাৰ প্ৰতিষ্ঠানে প্ৰস্তুত কৰা ১৫হাজাৰ ১৭৪ কোটি টকাৰ ডি পি আৰ আৰু বৃহৎ প্ৰকল্পটোৱে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন লাভ কৰিছে। ৰাজ্য চৰকাৰৰ ৰাজহ বিভাগে সুৰংগ পথ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় ১৬৫ হেক্টৰতকৈও অধিক ভূমি অধিকগ্ৰহণ কৰিছে। দেশৰ অখণ্ডতা আৰু প্ৰতিৰক্ষাৰ দিশত অধিক গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত সুৰংগ পথটোৱে ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ লগতে দক্ষিণ পাৰক পোনপটীয়াকৈ সংযোগ কৰিব। পথটো উত্তৰপাৰে বিশ্বনাথ জিলাৰ গহপুৰৰ সোলেঙী দলঙৰ পৰা ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দক্ষিণ দিশে ঘূৰি ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ গোলাঘাট জিলাৰ নুমলীগড়ত সংযোগ হ'ব।

০০০০০০০

নিখিল ভাৰত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি ৰে'লৱে কৰ্মচাৰী সন্থাৰ এন এফ ৰে'লৱে মণ্ডল সমিতিয়ে উত্তৰপূব সীমান্ত ৰে'লৱে মহাপ্ৰবন্ধক চে'তন শ্ৰীবাস্তৱৰ বিৰুদ্ধে ভাৰতীয় সংবিধান আৰু কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা উলংঘা কৰাৰ গুৰুতৰ অভিযোগ আনিছে। কালি গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদ মেলত সমিতিৰ সাধাৰণ সম্পাদক তাৰিণীচৰণ দাসে কয়, যে বিগত দুটা বৰ্ষত বিষয়াগৰাকীয়ে প্ৰতিটো ক্ষেত্ৰতে উত্তৰপূব সীমান্ত ৰে'লৱেৰ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি কৰ্মচাৰীসকলক বদলিকৰণ, পদোন্নতিকে ধৰি সকলো সাংবিধানিক অধিকাৰৰ পৰা বঞ্চিত কৰি আহিছে। আনকি সংবিধান প্ৰণেতা বাবাচাহেব ড০ ভীমৰাও আম্বেদকাৰৰ জন্মদিনকো বিষয়াগৰাকীয়ে অৱজ্ঞা কৰা বুলি তেওঁ অভিযোগ কৰে। বিষয়াগৰাকীৰ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি বিৰোধী মানসিকতাই সংবিধানৰ কেইবাটাও অনুচ্ছেদ ভংগ কৰাৰ উপৰি ৰে'লৱে বৰ্ড, ৰে'লৱে মন্ত্ৰালয়ত আৰু কেন্দ্ৰীয় চৰকাৰৰ সকলো নিৰ্দেশনা উলংঘা কৰা বুলি সংবাদ মেলখনত অভিযোগ কৰে।

০০০০০০০

**সমাপ্ত**